**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 08-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ৰাজ্যজুৰি আজি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মানৱতা আৰু সমন্বয়ৰ বাৰ্তাৰে বিশ্বৰ বুকুত সাঁচ ৰাখি থৈ যোৱা গণ শিল্পীগৰাকীৰ জন্মদিনত আজি শদিয়াৰ পৰা ধুবুৰীলৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানেৰে সুধাকণ্ঠৰ জন্মশতবাৰ্ষিকীৰ উদ্বোধন কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত ড০ ভূপেন হাজৰিকাৰ গীতসমূহ যথাৰ্থতে সমাজৰ নিপীড়িতসকলৰ আশা-আকাংশা আৰু সাধাৰণৰ মানুহৰ সপোনৰ বাহক আছিল বুলি উল্লেখ কৰে। মানৱীয় প্ৰমূল্যৰে মহা অনুষ্ঠান সদৃশ ব্যক্তিত্বৰে ভূপেন হাজৰিকাই তেখেতৰ কৰ্মৰাজীৰ জৰিয়তে অসম ভূমিক বিশ্বৰ বুকুলৈ কঢ়িয়াই নিয়াৰ উপৰি নতুন পৰিচয়ো গঢ়ি তুলিছিল বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩৩খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে আজিৰেপৰা ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে। ইয়াৰ উপৰি দেশে-বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

গুৱাহাটী মহানগৰীতো শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি কালিৰেপৰা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সদৌ অসম ছাত্ৰ সন্থাই সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বছৰজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ দীঘলী পুখুৰীৰ পাৰত আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তেজপুৰত আজি **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতেৰে **মানৱ শৃংখল আৰু শতাব্দীৰ সুবাস** শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

মঙলদৈত আজি শিল্পীগৰাকীৰ জন্ম দিন উপলক্ষে চাৰি শতাধিক নবীন-প্ৰবীণ আবৃত্তিকাৰে **মৃত্যু জিনাৰ গান** কবিতাটি আবৃত্তি কৰিব। গোৱালপাৰা মহাবিদ্যালয়ত আজি ডেৰ শতাধিক আবৃত্তিকাৰে 'মৃত্যু জিনাৰ গান' কবিতাটি পৰিবেশন কৰিব। কামৰূপ জিলাত এই উপলক্ষে মানৱ শৃংখল আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৩ ছেপ্তেম্বৰত অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এখন বৈঠকত এই ভ্ৰমণৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। প্ৰদানমন্ত্ৰীয়ে নুমলীগড়ত উদ্বোধন কৰিবলগীয়া চাৰি হাজাৰ কোটি টকা ব্যয় সাপেক্ষ দেশৰ প্ৰথমটো জৈৱ শোধনাগাৰ, মঙলদৈৰ পৰা আধাৰশিলা স্থাপন কৰিবলগীয়া গুৱাহাটীৰ ৰিং ৰোড আৰু নাৰেংগী-কুৰুৱা দলং তথা ভূপেন হাজৰিকাৰ

জন্ম শতবাৰ্ষিকী উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰে। তেওঁ আটাইকেইটা অনুষ্ঠান সফল কৰি তুলিবলৈ সংশ্লিষ্ট বিভাগৰসমূহক যাৱতীয় নিৰ্দেশনা দিয়ে।

০০০০০০০

শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ৰ ৬৭ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি অনুষ্ঠিত হয়। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্য অতিথিৰ ভাষণত ড০ গোস্বামীয়ে কয়, যে অসমীয়া ভাষা বিশ্ব  দৰবাৰত প্ৰতিষ্ঠাৰ বাবে কঠোৰ পৰিশ্ৰম আৰু যথাযোগ্য কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মাধৱ কন্দলী, শংকৰদেৱ আদি বৰেণ্য অসমীয়া সাহিত্যিকৰ সাহিত্যৰাজীক ভাৰতত প্ৰতিষ্ঠা কৰাৰ বাবে সাহিত্য সভাই লোৱা পদক্ষেপৰ বিষয়ে তেওঁ প্ৰকাশ কৰে। ড০ গোস্বামীয়ে লগতে কয়, যে শিক্ষা ব্যৱস্থা জীৱিকামুখী হোৱাতকৈ জীৱনমুখী হোৱা উচিত।

কালি পুৱা পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত দুপৰীয়াৰ মুকলি সভা উদ্বোধন কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিমান চন্দ্ৰ বৰুৱাই। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ সব্যসাচী মহন্তই আদৰণি ভাষণত মহাবিদ্যালয়খনৰ যাত্ৰাৰ ৰূপৰেখা আৰু এতিয়ালৈকে বিভিন্ন দিশত অৰ্জন কৰা সাফল্যৰ খতিয়ান দাঙি ধৰে। সভাত ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে।

০০০০০০০

কলিয়াবৰৰ সৰুভগীয়াত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত এটি পথ দুৰ্ঘটনাত শিশু আৰু মহিলাসহ ২৯ গৰাকী যাত্ৰী আহত হয়। যোৰহাটৰ পৰা ধুবুৰী অভিমুখী এখন নৈশ বাছৰ সৈতে ৰন্ধন গেছৰ চিলিণ্ডাৰ কঢ়িওৱা এখন ট্ৰাকত মুখামুখি সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। স্থানীয় লোকে বাছখনৰ পৰা শিশু আৰু মহিলা যাত্ৰীসকলক বাছৰ খিৰিকী ভাগি উদ্ধাৰ কৰে। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হোৱা বাছৰ চালককে ধৰি আন ১১ জন যাত্ৰীক উন্নত চিকিৎসাৰ বাবে তেজপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

০০০০০০০

**সমাপ্ত**